জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৫৭/২০২১

# লাচিত দিৱসৰ পৰিপ্ৰেক্ষণত বীৰগৰাকীৰ প্ৰতিচ্ছৱিত মাল্যাৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন মুখ্যমন্ত্ৰীৰ

## সৰ্বকালৰ শ্ৰেষ্ঠ জাতীয় মহানায়কগৰাকীৰ বীৰ গাথা তথা গৌৰৱময় কৰ্মৰাজিয়ে যুগে যুগে আমাক প্ৰেৰণা যোগাই যাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৪ নৱেম্বৰ ঃ** লাচিত দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেবিনেট বৈঠকৰ পূৰ্বে বঙাইগাঁও জিলা উপায়ুক্তৰ কাৰ্যালয়ত আয়োজিত এক অনুষ্ঠানত বীৰগৰাকীৰ প্ৰতিচ্ছৱিত মাল্যাৰ্পণ কৰি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীৰ সৈতে মন্ত্ৰী সভাৰ আটাইকেইগৰাকী সদস্যইও মাল্যাৰ্পণেৰে বীৰগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

ইয়াৰ পিছতে উপস্থিত সংবাদিকসকলক উদ্দেশি প্ৰদান কৰা বক্তব্যত মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ দিনটো অসমবাসীৰ বাবে এক ঐত্যন্ত গৌৰৱৰ দিন। প্ৰতিবছৰে ২৪ নৱেম্বৰৰ দিনটোক অসমবাসীয়ে গৌৰৱেৰে পালন কৰে। সৰ্বকালৰ শ্ৰেষ্ঠ জাতীয় মহানায়কগৰাকীৰ বীৰ গাথা তথা গৌৰৱময় কৰ্মৰাজি স্মৰণ কৰি মুখ্যমন্ত্ৰীয়ে বীৰগৰাকীয়ে যি মহান আদৰ্শৰে মোগলক পৰাভূত কৰিছিল সেই কৰ্মযজ্ঞত যাতে ব্ৰতী হৈ থাকিব পাৰে তাৰ বাবে আশীৰ্বাদ কামনা কৰে। লাচিতৰ বীৰত্ব আৰু শৌৰ্য-বীৰ্যই বৃহত্তৰ অসমীয়া জাতিক সদায়ে উদ্বুদ্ধ আৰু প্ৰেৰণা যোগাই যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ঐতিহাসিক শৰাইঘাটৰ ৰণত অতুলনীয় সাহস, বীৰত্ব আৰু নেতৃত্বৰ অমল স্বাক্ষৰ বহন কৰি যোৱা লাচিত বৰফুকনৰ প্ৰতি অসম জননী চিৰকালৰ বাবে কৃতজ্ঞ হৈ থাকিব বুলিও তেওঁ কয়।

**বঃভাঃ**
**২৪-১১-২০২১**